# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২২ চনৰ ১৪ জানুৱাৰী তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ গুণাৱলী আৰু চিত্তাকৰ্ষক স্মৃতিচাৰণ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত ছুৰা তওবাৰ ৪০ নম্বৰ আয়াত তিলাওত কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা জুমাৰ আগৰ জুমাৰ খোতবাত হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰা হৈছিল। মদিনালৈ হিজৰতি ভ্ৰমণৰ সময় ছোৰাত ছুৰাকা বিন মালিকে আঁ-হজৰত (ছাঃ)ৰ পিছানুসৰণ কৰা সম্পৰ্কে বিভিন্ন বৰ্ণনাৰ উল্লেখ আছে। তাৰে এটা ৰিৱায়ত অনুযায়ী ছুৰাকা অকৃতকাৰ্য্য হৈ ওভতি অহাৰ সময়ত নবী কৰিম (ছাঃ)য়ে ছুৰাকাক কৈছিল যে হে ছুৰাকা ! তোমাৰ তেতিয়া কি অৱস্থা হ'ব,যেতিয়া কিছৰাৰ কঙ্গন তোমাৰ হাতত পিন্ধোৱা হ'ব। ছুৰাকাই তেতিয়া বিস্ময়য়েৰে পিছলৈ ঘূৰি চাই কৈছিল- কোন কিছৰা ? কিছৰা বিন হৰমুজ নেকি ? আঁ-হজৰত (ছাঃ)য়ে উত্তৰ দিছিল হয়। কিছৰা বিন হৰমুজ। গতিকে যেতিয়া হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত কিছ্ৰা বিন হৰমুজক পৰাজিত কৰি তাৰ কঙ্গন,মুকুট আৰু কঁকালবন্ধ লৈ অনা হৈছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে ছুৰাকা বিন মালিকক মতাই আনি তাক সেই কঙ্গন পিন্ধাই দিছিল আৰু আদেশ দিছিল যে তুমি কোৱা সকলো প্ৰশংসাৰ গৰাকী হ'ল আল্লাহ তা'লা যিজনাই কিছ্ৰা বিন হৰমুজৰ পৰা এইবোৰ কাঢ়ি লৈ আমাক প্ৰদান কৰিছে। এয়াও উল্লেখ আছে যে এই সুসংবাদ ছুৰাকাক তেতিয়া দিয়া হৈছিল যেতিয়া তেওঁ হুনায়েন আৰু তায়েফৰ পৰা ওভতি অহাৰ যাত্ৰা কালত ইছলাম গ্ৰহণ কৰিছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰাত খাতামান্নাবিঈন পুস্তকত ছুৰাকাৰ নিজৰ ভাষাত উল্লেখিত এই ঘটনাৰ বৰ্ণনা লিপিবদ্ধ কৰিছে। ফাল (তীৰৰ পৰীক্ষা)ৰ বিৰুদ্ধে যোৱা আৰু ঘোঁৰাৰ ভৰি বালুকা ৰাশিত পুত খাই যোৱা সম্পৰ্কে ছুৰাকা বিন মালিকে বৰ্ণনা কৰিছে- এই ঘটনা ঘটাৰ পিছত মই (ছুৰাকা) বুজি পাইছিলো যে সেই ব্যক্তিজনৰ বিজয় তাৰকা আগত অৱস্থান কৰি আছে আৰু অৱশেষত গৈ আঁ-হজৰত (ছাঃ)য়েই বিজয় লাভ কৰিব।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ছুৰাকায় ওভতি বাট ধৰাৰ লগে লগেই আল্লাহ তা'লা ভৱিষ্যতৰ অৱস্থা সম্পৰ্কে আঁ-হজৰত (ছাঃ)ক অদৃশ্যৰ পৰা দৈৱিক ৰূপে জনাই দিছিল। সেয়ে তেখেত (ছাঃ)য়ে কৈছিল- হে ছুৰাকা ! তোমাৰ তেতিয়া কি অৱস্থা হ'ব যেতিয়া কিছৰাৰ কঙ্গন তোমাৰ হাতত পিন্ধোৱা হ'ব। আঁ-হজৰত (ছাঃ)ৰ এই ভৱিষ্যতবাণী যোল্ল,সোতৰ বছৰ পিছত গৈ আখৰে আখৰে পূৰ্ণ হৈছিল। ছুৰাকা মুছলমান হোৱাৰ পিছত তেওঁ নিজেই এই ঘটনা বৰ গৰ্বেৰে সৈতে মুছলমান সকলৰ আগত বৰ্ণনা কৰিছিল। তাৰে পৰাই মুছলমান সকলে এই ঘটনা জানিব পাৰিছিল। ইৰাণ বিজয়ৰ পিছত যেতিয়া যুদ্ধলব্দ সামগ্ৰীৰ মাজত হজৰত উমৰ (ৰাঃ)য়ে কিছৰাৰ কঙ্গন দেখিবলৈ পায় তেতিয়া অতীতৰ সকলো ছবি তেখেত (ৰাঃ)ৰ চকুৰ আগত ভাহি উঠে। সেই দুৰ্বল অসহায় অৱস্থা, যেতিয়া খোদা তা'লাৰ ৰছুলে জন্ম ভূমি এৰি মদদিনালৈ গুচি আহিবলৈ বাধ্য হৈছিল, ছুৰাকা আৰু অন্যান্য লোকসকলে তেখেত (ছাঃ)ক বিচাৰি পিছে পিছে ঘোঁৰা চলাই আহিছিল যে কেনেবাকৈ মহম্মদ (ছাঃ)ক ধৰি নি মক্কাবাসীৰ হাতত গতাই দিব আৰু এশ ৰঙা উট লাভ কৰিব। এনেকুৰা এটা অসহায় অৱস্থাৰ সময়ত ছুৰাকাক এই সুসংবাদ দিয়াটো কিমান ডাঙৰ ভৱিষ্যতবাণী আছিল; অদৃশ্য সম্পৰ্কে কিমান স্পষ্ট নিদৰ্শন আছিল। হজৰত উমৰ (ৰাঃ)য়ে ছুৰাকাক কিছৰাৰ কঙ্গন নিজৰ হাতত পিন্ধি ল'বলৈ আদেশ দিছিল। তেতিয়া ছুৰাকা কৈছিল যে সোণ পিন্ধাটো মুছলমান সকলৰ বাবে নিষেধ আছে। হজৰত উমৰ (ৰাঃ)য়ে উত্তৰত কৈছিল হয় নিষেধ আছে। কিন্তু এই ক্ষেত্ৰত নহয়। আল্লাহ তা'লা মহম্মদ ৰছুলুল্লাহ (ছাঃ)ক তোমাৰ হাতত সোণৰ কঙ্গন পিন্ধাটো দেখুৱাইছে। গতিকে তুমি এতিয়া সেয়া পিন্ধিব লাগিব; নতুবা মই তোমাক শাস্তি দিম। তেতিয়া ছুৰাকায় সেই কঙ্গন নিজৰ হাতত পিন্ধি লৈছিল আৰু মুছলমান সকলে এই ডাঙৰ এটা ভৱিষ্যতবাণী পূৰ্ণ হোৱাটো নিজ চকুৰে চাইছিল।

হিজৰতৰ বাটতে আঁ-হজৰত (ছাঃ)য়ে আহাৰ আদিৰ প্ৰয়োজনত উম্মে মুৱাবিদৰ তম্বুৰ ওচৰত থিয় হৈছিল। উম্মে মুৱাবিদ এজনী বৰ সাহসী মহিলা আছিল। তাই অতিথি সকলৰ বৰ আলপৈচান ধৰিছিল। যেতিয়া আঁ-হজৰত (ছাঃ)ৰ এই দলটোৰে গৈ তাত উপস্থিত হৈছিল তেতিয়া মুৱাবিদৰ সেই সম্প্ৰদায়টো বৰ দৰিদ্ৰ হৈ পৰিছিল, আৰু আঁ-হজৰত (ছাঃ)ক দিবলৈ তেওঁলোকৰ হাতত একোৱে নাছিল। উম্মে মুৱাবিদৰ অনুমতিত এজনী অতি দুৰ্বল ছাগলী আঁ-হজৰত (ছাঃ)য়ে দোৱা কৰি খীৰাবলৈ আৰম্ভ কৰিছিল আৰু সেই ছাগলীজনীৰ গাখীৰত বৰ বৰকত নাযিল হৈছিল।

ৰছুলুল্লাহ (ছাঃ)য়ে মদিনাৰ বাটতে গৈ থাকোতে হজৰত জাবিৰ (ৰাঃ)ক লগ পাইছিল। হজৰত জাবিৰ (ৰাঃ)য়ে মুছলমান সকলৰ এটা সৰু জামাতৰ সৈতে শ্বাম (ছিৰিয়া)ৰ পৰা ব্যৱসায় কৰি ওভতি আহি আছিল। হজৰত জাবিৰ (ৰাঃ)য়ে এযোৰ বগা কাপোৰ আঁ-হজৰত (ছাঃ)ক আৰু এযোৰ হজৰত আবু বক্কৰ (ৰাঃ)ক দিছিল। যিহেতু হজৰত আবু বক্কৰ (ৰাঃ)য়ে ব্যৱসায় বাণিজ্য সংক্ৰান্তে এই বাটেৰে বহু অহা-যোৱা কৰিছে গতিকে অধিকাংশ লোকেই এখেত (ৰাঃ)ক জানিছিল আৰু পৰিচিত হৈছিল। কিন্তু আঁ-হজৰত (ছাঃ)ক কোনেও চিনি পোৱা নাছিল। সেয়ে লোকে হজৰত আবু বক্কৰ (ৰাঃ)ক সুধিছিল যে আপোনাৰ আগে আগে যোৱা এই লোকজন কোন হয় ? অৰ্থাৎ এইজন মোৰ হাদি (পথপ্ৰদৰ্শক) হয়। তেতিয়া সেই লোক সকলে ভাৱিছিল যে সম্ভৱত লোকজনক হজৰত আবু বক্কৰ (ৰাঃ)য়ে পথ নিৰ্দেশক হিচাপে লগত লৈ আনিছে। কিন্তু আচলতে হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ কথাৰে বেলেগ এটা অৰ্থহে প্ৰকাশ কৰিছিল।

যিয়েই নহওঁক আঠ দিন ধৰি বাটকুৰি-বাই খোদা তা'লাৰ সহায়ত অৱশেষত সোমবাৰ দিনাখন গৈ কোবাত

উপস্থিত হৈছিল। এই বস্তিখন তেতিয়া মদিনাৰ পৰা দুই মাইল আঁতৰত অৱস্থিত আছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে এজন ইহুদী ব্যক্তিয়ে আঁ-হজৰত (ছাঃ)ৰ উটনী আহি থকা দেখি গম পাইছিল যে এয়া মহম্মদ (ছাঃ)ৰ কাফেলা হ'ব। সেই লোকজনে বস্তি বাসীক মাত দিয়াৰ লগে লগে সকলো লোকেই আহি কোবাত উপস্থিত হয়। মদিনাৰ সকলো লোকেই আঁ-হজৰত (ছাঃ)ৰ অপৰিচিত আৰু তেওঁলোকেও আঁ-হজৰত (ছাঃ)ক চিনি পোৱা নাছিল। যেতিয়া কোবাৰ বাহিৰৰ এখন ঠাইত আঁ-হজৰত (ছাঃ)য়ে গছ এটাৰ ছাঁত বহিছিল আৰু মদিনাৰ পৰা লোক তালৈ আহি উপস্থিত হৈছিল তেতিয়া আঁ-হজৰত (ছাঃ)ক অতি সৰল ভাৱে বহি থকা দেখি অনভিজ্ঞ লোক সকলে হজৰত আবু বক্কৰ (ৰাঃ)কেই ৰছুলুল্লাহ (ছাঃ)বুলি অনুমান কৰিছিল। কাৰণ যদিও হজৰত আবু বক্কৰ (ৰাঃ) বয়সত আঁ-হজৰত (ছাঃ)তকৈ অলপ সৰু আছিল কিন্তু এখেত (ৰাঃ)ৰ দাড়ি কিছুমান পকি বগা হৈছিল আৰু পিন্ধনত ভাল কাপোৰ আছিল। সেয়ে লোক সকলে ধাৰণ কৰাত ভুল কৰিছিল আৰু শ্ৰদ্ধাৰে সৈতে লোকে হজৰত আবু বক্কৰ (ৰাঃ)ৰ ফালে মুখ কৰি বহি গৈছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে এনেকুৱা অৱস্থা চাই গম পাইছিল যে লোক সকলে বুজাত ভুল কৰি আছে। তৎক্ষণাত তেখেত (ৰাঃ)য়ে চাদৰ এখন মেলি লৈ আঁ-হজৰত (ছাঃ)ৰ ওপৰত ছাঁ দিবলৈ সূৰ্যৰ বিপৰীত থিয় হৈ যায় আৰু কয় ইয়া ৰছুলুল্লাহ ! আপোনাৰ ওপৰত ৰ'দ পৰিছে,মই আপোনাক ছাঁ দিয়াৰ ব্যৱস্থা কৰিছোঁ। এনেদৰে সূক্ষ্ম বুদ্ধি এটাৰে তেখেত (ৰাঃ)য়ে লোকৰ ভুল ধাৰণাটো মচি দিছিল।

হজৰত আনছ বিন মালিক (ৰাঃ)য়ে কৈছে যে যেতিয়া আঁ-হজৰত (ছাঃ)য়ে ইয়ালৈ আহে; আমাৰ বাবে মদিনা আলোকিত হৈ পৰে আৰু যেতিয়া তেখেত (ছাঃ)ৰ মৃত্যু হয়, সেই দিনটোতকৈ বেছি এন্ধাৰ আমি মদিনাত কেতিয়াও দেখা নাই। কোবাৰ আনছাৰ সকলে তেখেত (ছাঃ)ক বৰ যত্নেৰে আদৰি লয় আৰু তেখেত (ছাঃ)য়ে কলছুম বিন আলহিদামৰ ঘৰত অৱস্থান কৰে।

ছহী বুখাৰীত উল্লেখ আছে যে আঁ-হজৰত (ছাঃ)য়ে বনু উমৰু বিন অউফৰ মহল্লাত দহ ৰাতিতকৈ বেছি কাল অৱস্থান কৰিছিল। ৰিৱায়তত উল্লেখ আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে বনু উমৰু বিন অউফ গোত্ৰৰ বাবে এখন মছজিদৰ বুনিয়াদ ৰাখিছিল। যেতিয়া তেখেত (ছাঃ)য়ে সেই মছজিদৰ আধাৰশীলা স্থাপন কৰে তেতিয়া সৰ্ব প্ৰথমে কিবলালৈ বুলি এটা  পাথৰ বহুৱায়, তাৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে এটা পাথৰ বহুৱায়, তাৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে ৰখা পাথৰৰ গাতে লগাই হজৰত উমৰ (ৰাঃ)য়ে নিজৰ পাথৰটো ৰাখিছিল। তাৰ পিছত সকলোৱে মিলি মছজিদৰ নিৰ্মাণ কাৰ্যত লিপ্ত হৈছিল। মছজিদ কোবা সম্পৰ্কে উল্লেখ আছে যে এয়াই সেই মছজিদ যাৰ বুনিয়াদ তাকওয়াৰ ওপৰত স্থাপন কৰা হৈছিল। হজৰত ইবনে আববাছ বৰ্ণনা কৰিছে যে মদিনাৰ গোটেইবোৰ মছজিদ য'ত কোবাৰ মছজিদও চামিল আছে, সকলোবোৰ মছজিদৰ বুনিয়াদ তাকওৱাৰ ওপৰতেই ৰখা হৈছিল। কিন্তু যিখন মছজিদ সম্পৰ্কে আয়াত অৱতীৰ্ণ হৈছে সেয়া হ'ল মছজিদ কোবা।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে আঁ-হজৰত (ছাঃ)য়ে কোবাত দহ ৰাতি অৱস্থান কৰাৰ পিছত জুমাৰ দিনাখন মদিনাৰ ভিতৰ অংশলৈ বুলি যাত্ৰা কৰিছিল। আনছাৰ আৰু মুহাজেৰিণ সকলৰ এটা ডাঙৰ জমাত তেখেত (ছাঃ)ৰ লগত আছিল। তেখেত (ছাঃ)য়ে এজনী উটনীৰ ওপৰত আৰোহণ কৰি গৈছিল আৰু হজৰত আবু বক্কৰ (ৰাঃ) তেখেত (ছাঃ)ৰ পিছত আছিল। এই জমাতটো লাহে লাহে মদিনাৰ চহৰৰ ফালে আগবাঢ়ি গৈ আছিল; বাটতে জুমাৰ নমাজৰ সময় হোৱাত আঁ-হজৰত (ছাঃ)য়ে বনু ছালম বিন অউফৰ চুবুৰীত নামি নমাজে জুমাৰ খোতবা দিছিল আৰু নমাজ পঢ়ি লৈছিল। তাৰ পিছত তেখেত (ছাঃ)য়ে যিজন মুছলমানৰ ঘৰৰ

ওচৰেদি পাৰ হৈ গৈ আছিল সেই জনেই বৰ মৰম শ্ৰদ্ধাৰে আবেদন কৰিছিল যে ইয়া ৰছুলুল্লাহ ! এই খন মোৰ ঘৰ আৰু এয়া মোৰ জান,মাল আপোনাৰ বাবে হাজিৰ, আমাৰ ওচৰত আপোনাৰ নিৰাপত্তাৰ প্ৰয়োজনীয় সামগ্ৰীও আছে, আপুনি আমাৰ তাত আগমন কৰক। তেখেত (ছাঃ)য়ে কথাবোৰ শুনি দোৱা কৰি কৰি আগুৱাই গৈ থাকিছিল। মুছলমান মহিলা আৰু বালক-বালিকা সকলে আনন্দ আৰু আবেগিক হৃদয়েৰে ঘৰৰ চালত উঠি আঁ-হজৰত (ছাঃ)ক স্বাগত জনাই মিলন কণ্ঠে গান গাইছিল। মদিনাত থকা হাবশী গোলাম সকলে তেখেত (ছাঃ)ৰ আগমনৰ আনন্দত মতলীয়া হৈ তৰোৱালৰ বাজি দেখুৱাই লগে লগে আগুৱাই গৈছিল।

আঁ-হজৰত (ছাঃ)য়ে মদিনালৈ যোৱাৰ কিছুদিন পিছত হজৰত জায়েদ (ৰাঃ)ক মক্কালৈ পঠিয়াই দিছিল। তেখেত (ৰাঃ)ৰ পৰিয়াল বৰ্গক লৈ সকলোৰে মদিনালৈ ওভতি আহে। আঁ-হজৰত (ছাঃ)য়ে মদিনাত যিখিনি জমিন কিনি লৈছিল তাতেই প্ৰথমে মছজিদ নিৰ্মাণৰ ভিত্তি স্থাপন কৰে আৰু ইয়াৰ পিছত নিজৰ আৰু নিজৰ লগৰীয়া সকলৰ বাবে ঘৰ নিৰ্মাণ কৰে।

মদিনালৈ হিজৰত কৰাৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে ছুনাহত খাবিব বিন আছাফৰ ঘৰত থাকিবলৈ লয়। ছুনাহ মদিনাৰে গাতে লাগি থকা এখন ঠাই যি মছজিদ নৱবীৰ পৰা প্ৰায় দুই মাইল মান দূৰত অৱস্থিত। হজৰত খবিব বনু হাৰিছ বিন খজৰজ গোত্ৰৰ লোক আছিল। আন এটা টোকা অনুযায়ী হজৰত আবু বক্কৰ (ৰাঃ)য়ে মদিনালৈ যোৱাৰ পিছত হজৰত খাৰজা বিন জায়েদৰ ঘৰত থকা কৰিছিল। কিছুমান ৰিৱায়ত অনুযায়ী এখেত (ৰাঃ)য়ে ছুনাহতেই নিজৰ ঘৰ আৰু কাপোৰ বনোৱা কাৰখানা স্থাপন কৰিছিল আৰু তাৰ পৰাই ব্যৱসায় চলাইছিল।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনাৰ ধাৰাবাহিকতা ইনশা আল্লাহ আগলৈ চলিব বুলি উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে তলত উল্লেখ কৰা মৰহুমিন সকলৰ চমু পৰিচয় আগবঢ়াই নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

প্ৰথম হ'ল মকৰম চৌধুৰী আজগৰ আলি কলাৰ চাহাব মৰহুম আছিৰে ৰাহে মাওলা ইবনে মকৰম মহম্মদ শ্বৰীফ চাহাব কলাৰ বাহাউলপুৰ। মৰহুমে ১০ জানুৱাৰীত বন্দী অৱস্থাতে বেমাৰত পৰি ৭০ বছৰ বয়সত মৃত্যু বৰণ কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুমক ২৪ চেপ্তেম্বৰ ২০২১ চনত ৰিছালত অমান্যৰ (নাউজুবিল্লাহ) ধাৰা ২৯৫ জিমৰ অধীনত গোচৰ ৰুজু কৰি ২৬ চেপ্তেম্বৰত গ্ৰেপ্তাৰ কৰি লোৱা হৈছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ৰিছালত অমান্যৰ অপৰাধ আহমদী সকলৰ ওপৰত সোনকালেই জাপি দিব পাৰে। মৰহুম নিজৰ বংশত অকলেই আহমদী আছিল। মালি তেহেৰিকত এটা মোটা অংশ লওঁতা,খিলাফতৰ বিশ্বাসী,অতিথি পৰায়ন, দাওয়াতে ইলাল্লাহৰ প্ৰতি আগ্ৰহী, ইবাদত গোজাৰ আৰু ১/৮ অংশৰ মুচি আছিল।

দ্বিতীয়তে হ'ল মকৰম মিৰ্জা মুমতাজ আহমদ চাহাব (কৰ্মী) উকালতে উলিয়া ৰাবোৱা) আৰু তৃতীয়জন মৰহুম মকৰম কৰ্নেল ৰিটায়াৰ্ড ডক্টৰ আব্দুল খালেক চাহাব (প্ৰাক্তন এডমিনিষ্টাৰ ফজলে উমৰ হাস্তপাতাল ৰাবোৱা) হুজুৰ আনোৱাৰ (আইঃ)য়ে উক্ত মৰহুমিন সকলৰ বাবে দোৱা আৰু মাগফিৰাত কামনা কৰি খোতবাৰ সামৰণি টানে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**